*ত্ৰয়োদশ শতিকাত পূবফালেদি তাই-আহোমসকল অসম দেশত সোমাইছিল। তেওঁলোকেও নিজৰ ধৰ্ম-সংস্কৃতি এৰি প্ৰজাৰ সংস্কৃতিৰে দেশত জীণ গ'ল। ইছলাম ধৰ্মী আৰব, তুৰ্কী, পাঠান-মোগলসকলো আহিছিল। সময়ত তেওঁলোকো ভাৰতবাসী হ'ল। কিন্তু তেওঁলোকে ভাৰতীয় ধৰ্ম-সংস্কৃতি গ্ৰহণ নকৰিলে।*

# প্ৰভাৱশালীৰ মতৰ সলনিয়ে ইতিহাসৰ গতি সলায়

**ধীৰেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য**

ইতিহাস হৈছে সভ্যতাৰ উত্থান-পতন, সাম্ৰাজ্যৰ সম্প্ৰসাৰণ-সংকোচন, মানুহৰ দুখ-যাতনা, সুখ-শান্তিৰ লিপিবদ্ধ কাহিনী। প্ৰায়ে এইবোৰৰ অন্তৰালত একোজন প্ৰভাৱশালী ব্যক্তিৰ কাৰ্যাৱলীক মুখ্য কাৰক হিচাপে দেখা যায়। ইতিহাসক সেয়ে একোগৰাকী প্ৰভাৱশালী ব্যক্তিৰ সৃজনী শক্তি বুলি কোৱা হয়। Max Muller-ৰ ভাষাত 'History is an autobiography of human mind'. মানুহ পৰিস্থিতিৰ দাস। পৰিস্থিতিৰ প্ৰভাৱত মানুহে মত সলায়। অৱশ্যে পৰিস্থিতিৰ চাপত পৰি নিজৰ মতত দৃঢ়তাৰে অটুট থকাৰ উদাহৰণো প্ৰচুৰ। গান্ধীজীয়ে নানা ঘাত-প্ৰতিঘাত পোৱা সত্ত্বেও নিজৰ অহিংস আৰু সত্যাগ্ৰহ নীতিৰ পৰা বিৰত হোৱা নাছিল। সেয়ে তেওঁ মহাত্মা। প্ৰভাৱশালী মানুহৰ মতৰ সলনিয়ে বহুত সময়ত ইতিহাসৰ গতিকে সলনি কৰে। মতৰ সলনিৰে ইতিহাসত কিছুমান মহানায়ক হয়, কিছুমান হয় খলনায়ক।

পূৰ্বমত সলনিৰে নতুন ৰূপত মহানায়ক হোৱাৰ বহুতো উদাহৰণ প্ৰাচীন ভাৰতবৰ্ষৰ ইতিহাসত ভৰপূৰ। চ্যৱন ঋষিৰ পুত্ৰ ৰত্নাকৰ প্ৰথম জীৱনত আছিল এজন অঘাইত ডকাইত। ডকাইতি আৰু লুণ্ঠনেই আছিল তেওঁৰ বৃত্তি। পাছত তেওঁৰ মতৰ সলনি হ'ল। অনুতাপত দগ্ধ হৈ তেওঁ ঘোৰ তপস্যাত বহিল। দস্যু ৰত্নাকৰ বাল্মীকি নামেৰে নতুন মনীষী হ'ল। ৰচনা কৰিলে বিশ্বৰ প্ৰথম মহাকাব্য 'ৰামায়ণ'। দাঙি ধৰিলে 'ৰাম ৰাজ্য'ৰ আদৰ্শ। আন এটা উজ্জ্বল উদাহৰণ হৈছে মৌৰ্য সম্ৰাট অশোক। প্ৰথমতে তেওঁ আছিল দুৰ্ধৰ্ষ যোদ্ধা। নিষ্ঠুৰ যুদ্ধনীতিৰে নিজৰ প্ৰতিপত্তি বঢ়োৱাই আছিল তেওঁৰ লক্ষ্য। কিন্তু কলিংগৰ ৰক্তক্ষয়ী যুদ্ধৰ বিভীষিকাই তেওঁৰ মতৰ সলনি কৰিলে। বৌদ্ধ ধৰ্ম গ্ৰহণ কৰি তেওঁ অহিংসাৰ পূজাৰী হ'ল। যুদ্ধৰে ৰাজ্য জয় কৰা নীতি এৰি শান্তিৰ বাণীৰে মানুহৰ অন্তৰ জয় কৰাত ব্ৰতী হ'ল। ফলত তেওঁ হ'ল বিশ্বৰ সৰ্বকালৰ শ্ৰেষ্ঠ ৰজা।

আনহাতে পূৰ্বৰ নীতি এৰি নতুন হিংস্ৰ নীতিৰে সমাজত আতংক সৃষ্টি কৰা উদাহৰণো ইতিহাসত প্ৰচুৰ। ক্ষমতাৰ লোভে নিজ হিন্দু ধৰ্মৰ সলনি ইছলাম ধৰ্ম গ্ৰহণ কৰি মালিক কাফুৰ, কালাপাহাৰৰ দৰে কলংকিত চৰিত্ৰ ইতিহাসত বহুত আছে। তাৰ বিপৰীতে ইছলাম ধৰ্মী হৈয়ো হিন্দুৰ উপনিষদৰ বিশ্ব ভাতৃত্ববোধ আৰু শান্তিৰ বাণীত মুগ্ধ হৈ হিন্দু-মুছলমানক শান্তিৰ এনাজৰীৰে বান্ধিব খোজা আমীৰ খশ্ৰু, দাৰাছিকো, জাহানাৰাৰ দৰে উদাৰ ব্যক্তিৰ নামো আছে। মহামতি আকবৰৰ উদ্দেশ্যও একেই আছিল।

মত পৰিৱৰ্তনেৰে সাধাৰণ মানুহৰ পৰা মহাপুৰুষৰ শাৰীলৈ যোৱাৰ এটা উজ্জ্বল উদাহৰণ পঞ্চদশ শতিকাৰ অসম বুৰঞ্জীত আছে। **প্ৰথম অৱস্থাত মাধৱদেৱ আছিল দেৱীভক্ত শাক্ত, এজন অজ্ঞাত ব্যক্তি। নৰিয়াত পৰা মাকৰ আৰোগ্যৰ বাবে ছাগলী বলিৰে দেৱী পূজা কৰিব খুজিছিল। দৈৱক্ৰমে তেখেতৰ সংযোগ হ'ল শ্ৰীমন্ত শংকৰদেৱৰ সৈতে—এক মণি-কাঞ্চন যোগ। শংকৰগুৰুৰ প্ৰভাৱত শাক্ত মাধৱৰ মতৰ সলনি হ'ল। তেখেত নিষ্ঠাৱান বৈষ্ণৱ হ'ল। নামঘোষাৰ দৰে পবিত্ৰ গ্ৰন্থ ৰচনা আৰু বৰগীত-নাট আদিৰে অসমীয়া ধৰ্ম-সংস্কৃতিৰ নতুন ৰূপ দিলে।**

আধুনিক ভাৰতবৰ্ষৰ বিংশ শতিকাৰ কেইগৰাকীমান বৰেণ্য ব্যক্তিৰ মতৰ সলনিয়ে দেশখনলৈ চৰম দুৰ্যোগ চপাই আনিছিল। প্ৰাচীন কালৰে পৰা এইখন দেশলৈ গ্ৰীক, শক, কুষাণ, হুন আদি আক্ৰমণকাৰী আহিছিল। সময়ত তেওঁলোক ভাৰতীয় সংস্কৃতিৰ লগত বিলীন হ'ল। ত্ৰয়োদশ শতিকাত পূবফালেদি তাই-আহোমসকল অসম দেশত সোমাইছিল। তেওঁলোকেও নিজৰ ধৰ্ম-সংস্কৃতি এৰি প্ৰজাৰ সংস্কৃতিৰে দেশত জীণ গ'ল। ইছলাম ধৰ্মী আৰব, তুৰ্কী, পাঠান-মোগলসকলো আহিছিল। সময়ত তেওঁলোকো ভাৰতবাসী হ'ল। কিন্তু তেওঁলোকে ভাৰতীয় ধৰ্ম-সংস্কৃতি গ্ৰহণ নকৰিলে। ইছলাম ধৰ্মী হৈ থাকিল। ঊনবিংশ শতিকাৰ আৰম্ভণিতে বণিকৰ বেশেৰে আহিল ইউৰোপীয়সকল। তেওঁলোকেও বিশাল ব্ৰিটিছ সাম্ৰাজ্য স্থাপন কৰিছিল। হিন্দু-মুছলমানৰ মাজত বিভাজনৰ বীজ সিঁচি তেওঁলোক নিষ্ঠুৰভাৱে শোষণ কৰাত লাগিল। তেওঁলোক স্থায়ীভাৱে থাকিবলৈ অহা নাছিল। ঔপনিৱেশিক সাম্ৰাজ্যহে প্ৰতিষ্ঠা কৰিছিল।

লাহে লাহে ভাৰতবাসীৰ মাজত জাতীয় চেতনা জাগ্ৰত হ'ল। ভাৰতীয় জাতীয় কংগ্ৰেছৰ জন্ম হ'ল। গান্ধীজীৰ স্বাধীনতা সংগ্ৰাম আৰম্ভ হ'ল। অজস্ৰজন ছহিদ হ'ল। বিভাজনবাদী নীতিৰে ইংৰাজে মুছলমানসকলৰ বাবে 'মুছলিম লীগ' গঠন কৰি কংগ্ৰেছক দুৰ্বল কৰিবলৈ অপচেষ্টা কৰিলে। দ্বিতীয় বিশ্বযুদ্ধৰ পাছত ইংৰাজৰ অৰ্থনীতি দেৱলীয়া হ'ল। তেওঁলোক ভাৰতবৰ্ষ এৰিবলৈ বাধ্য হ'ল। দেশখন দ্বিখণ্ডিত আৰু দুৰ্বল কৰি তেওঁলোকে ভাৰতবৰ্ষক স্বাধীনতা দিলে।

ধৰ্মৰ ভিত্তিত দেশৰ বিভাজন আধুনিক ভাৰতবৰ্ষৰ ইতিহাসৰ অতি দুৰ্ভাগ্যজনক ঘটনা। এই দুৰ্ভাগ্যজনক ঘটনাৰ অন্তৰালত বিদেশী শক্তিৰ বিভাজন নীতিৰ বাহিৰেও সমাজৰ কেইগৰাকীমান প্ৰভাৱশালী নেতাৰ মতৰ সলনিয়েই প্ৰধানতঃ দায়ী। প্ৰথমতে উদাৰ নীতি, সাম্প্ৰদায়িক ঐক্য আৰু শান্তিৰ